কলকলাই বৈ থকা নৈখনত!”

উচপ খাই উঠে দৰ্শনৰ অধ্যাপক! ক’ত? এয়া ক’ত? এয়া ব’মডিলাৰ পৰা টাৱাঙৰ অকোৰা-পকোৰা পথৰ মাজৰ জলপ্ৰপাতৰ শুভ্ৰ জলৰাশি নে প’টিন আৰু জিব’ৰ মাজৰ ৰাস্তাৰ পাহাৰৰ পৰা বৈ অহা ফোৰাৰাটো? মনত নপৰে। মনত পৰে মাথোন প্ৰাণচঞ্চল ২৫-২৬ বছৰীয়া যুৱতীগৰাকীৰ আকুল দুচকু। অনুভৱৰ চৰম ক্ষণত মৃত্যু আৰু প্ৰেমৰ অনুভৱৰ কোনো প্ৰভেদ নাথাকে—প্ৰেম আৰু মৃত্যু এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। এই প্ৰেম পাৰ্থিৱ নহয়, ই অপাৰ্থিৱ। মানুহে মানুহৰ এই প্ৰেম থাপি প্ৰেমক মহত্ত্বৰ অনুভৱৰ পৰা নমাই এক প্ৰতীকৰূপে ধাৰণ কৰে। এই প্ৰেম প্ৰকৃত নহয়, মানুহে ধাৰণা কৰে, মানুহে মানুহত থাপন কৰা প্ৰেম মাথোঁ এক ভ্ৰান্তি, এক কল্পনা, এক প্ৰতীক মাথোঁ! প্ৰকৃত প্ৰেম এই শুভ্ৰতাত জঁপিয়াই পৰাৰ হেঁপাহ, মৃত্যুৰ সৈতে মিলনৰ হেঁপাহ। কোনে কৈছে? কোনে? দৰ্শনৰ অধ্যাপকজনে কাৰ মাত শুনে? দাৰ্শনিকজন ক’ত সোমাই থাকে—তেওঁৰ পাকঘৰত সুন্দৰকৈ সজাই থোৱা মছলাৰ টেমাবোৰত? নে ভাঁজে ভাঁজে থোৱা আলমাৰিৰ কাপোৰবোৰত? দৰ্শনৰ অধ্যাপকজন আকৌ অনিশ্চয়তাত ডুব যায়।

• • •

“এস আপুনি কেতিয়া আহিলে?”

“তুমি শাক বাছিবলৈ আৰম্ভ কৰাৰ আগৰে পৰা মই বহি আছোঁ।”

“দেখিছানে বাৰু? ইহঁতবোৰৰ খবৰেই নাই। আলহী এজন বহি আছেহি, তামোল-চালি এখন দিয়াহি নাই।”

মৃগাংগ দুৱৰাই একো নক’লে। অনুৰাধাৰ এইটো একেবাৰে শেহতীয়া কথা—তেওঁ দুৱৰাক অকস্মাৎ পাহৰি পেলায়। অনিত আৰু লাচনি-পাচনি কৰি থকা ছোৱালী ‘বনি’ক পাহৰা নাই। বাহিৰলৈ ওলাই অহা অনিতক দেখি অনুৰাধাই মাত লগালে—

“ডাঙৰ বাপা, ইয়াত আলহী এযোৰা বহি আছে। কথা-বতৰা পাতচোন। মই বোৱাৰীক কওঁগৈ।” দুৱৰা আৰু অনিত ইজনে-সিজনক চালে। কোনেও একো নামাতিলে। মাক-দেউতাকৰ সম্পৰ্কটো অনিতে বুজি পায়। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী মাকক দৰ্শনৰ অধ্যাপক দেউতাকে কিমান কি কাহিনী নকয়? সিহঁতৰ জন্মৰ আগৰ আৰু পাছৰ দিনবোৰতো কিমান ঠাইলৈ দুয়ো একেলগে ফুৰিবলৈ গৈছিল। দেউতাকে দেশী-বিদেশী কিতাপৰ কাহিনী শুনায়—মাকে শুনে। মাকে পুৰণি আইনাম-বিয়ানাম আৰু অসমীয়া কবিতা মাতে—দেউতাকে শুনে।

স্কুলৰ পৰা আহি মাক কেতিয়াবা আইসকামলৈ যায়। দীঘলীয়া আইনামবোৰ মাকৰ কণ্ঠস্থ ... সুৰ লগাই আইনাম গাই থকা মাকজনীৰ ছবিখন বিদ্যালয়ৰ চকীখনত বহি থকা ‘হেড পণ্ডিতনী’ৰ লগত সেই দিনবোৰত অনিতে মিলাব পৰা নাছিল। ঘৰত সৰু সৰু ধুনীয়া ধুনীয়া কাচৰ পাত্ৰবোৰত কেইবাটাও ৰঙৰ পাচলি, ছালাড, দাইল, মাছ-মাংস খোৱা মেজখন আটোম-টোকাৰিকৈ সজাই মাকে সিহঁতক ভাত খাবলৈ মাতিছিল। গাঁৱৰ ঘৰ এখনত খাদ্য পৰিৱেশনৰ এনে ধৰণটো একেবাৰে অস্বাভাৱিক আছিল। সৰু সৰু থাল-বাটিবোৰত বিধে বিধে ব্যঞ্জন—কিন্তু পৰিমিত আহাৰ খোৱাৰ কথা মাকে বৰকৈ কৈছিল। ‘পৰিমিতি’ৰ ধাৰণাটো সিহঁতে, দেউতাকে ভাল পোৱা নাছিল কেতিয়াও তথাপি দেউতাকে সিহঁতক মাকৰ চিন্তাক শ্ৰদ্ধা কৰিবলৈ শিকাইছিল। অকণ অকণ পাত্ৰবোৰত কেইবাবিধো ব্যঞ্জন ৰান্ধি ভাল পোৱা মাকজনীয়ে কিন্তু ‘সকাম’ত এসোপা পায়স ৰান্ধিছিল। এই কামটো কৰি মাকে যে ভাল পাইছিল সি জানে। বৰ টৌ এটাত পায়স মাকে অকলেই পগাইছিল, ওচৰ-চুবুৰীয়াৰ সকামবোৰত। এই এটা কাম দেউতাকে ভাল নাপালেও মাকে কৰিছিল। কৰি ভাল পাইছিল। অনিতৰ ভাব হয়—পায়স পগোৱা কামটো মাকে দীঘলীয়া কবিতা আবৃত্তি কৰি ভাল পোৱাৰ নিচিনাকৈ ভাল পায়। বগা গাখীৰ এসোপাৰ কাষত ঘণ্টা জুৰি থিয় হৈ থাকি শুভ্ৰতাৰ মোহত আচ্ছন্ন মানুহজনীৰ মুখখন তাৰ প্ৰায়েই মনত পৰে। কিন্তু মাকৰ প্ৰিয় ৰং দেখোন ৰঙা। গাঁওখনৰ প্ৰথম চাকৰি কৰা বোৱাৰীজনীৰ ৰঙা চাদৰ-মেখেলা, শাৰীবোৰ সি সৰু থাকোঁতে মানুহৰ কথা-বতৰাতো ঠাই পাইছিল। সেই দিনবোৰত মাকক তাৰ এগৰাকী ‘আদৰ্শ নাৰী’ যেন লাগিছিল।

“ডাঙৰ বাপা, তোৰ খোৱা-বোৱা হ’ল জানো?”

“খালোঁ মা। তুমি আৰু মই একেলগে বহি খালোঁ। মোৰ হস্পিটেললৈ যাবৰ হ’লেই।”

“এস। মই খোৱা নাই নহয়। স্বপ্নানো ক’লৈ গ’ল? মোৰ ভোক লাগিছেই।”

এইটোৱেই ভয় কৰে অনিতে। সি ওলাই যাবৰ সময়ত মাকে নিজৰ ভোক লাগিছে বুলি আকৌ খাবলৈ বিচাৰে। অথচ মাকৰ কাষত বহি সি সৰু ল’ৰা-ছোৱালীক বুদ্ধি কৰি খুউৱাৰ দৰে খাবলৈ মনত পেলাই মাকে খাই শেষ কৰাৰ পাছতহে উঠে। এতিয়া মাকে কোনোপধ্যে মানি নল’ব যে তেওঁ ইতিমধ্যে খাই উঠিল।

নতুনকৈ অহা আলহীৰ সন্মুখত কেতিয়াবা বাৰুকৈয়ে অপ্ৰস্তুত কৰে মাকে—“আজি চাহ এঢোক খোৱাই নাই নহয়”, “আমাৰ এতিয়ালৈকে ভাত খাবৰ হোৱাই নাই নহয়”—জাতীয় কথাবোৰত প্ৰথমতে সিহঁতে হাঁহিছিল। সি, সৰু বাপা আৰু মিলিমাই নিজৰ মাজতে হাঁহি-স্ফূৰ্তি কৰি স্বপ্নাক কথাবোৰ কৈছিল। তথাপি নতুন মানুহৰ আগত স্বপ্না কেতিয়াবা অপ্ৰস্তুত হয়। অনিতে বুজি নাপায়—বৰ অসহায় অনুভৱ কৰে ডাক্তৰ অনিত দুৱৰাই। ক’ৰবাত আছিল নেকি তাৰ মাকৰ মনত কিবা অব্যক্ত বেদনা, ক্ষোভ অথবা অপ্ৰাপ্তি? সি দেখি অহা মাক-দেউতাকৰ পৰস্পৰৰ প্ৰতি মৰম-শ্ৰদ্ধা আৰু প্ৰেম -বিশ্বাসৰ ভাৰসাম্যৰ ৰছীডাল কি ভ্ৰম! ডাক্তৰ দুৱৰাই মেলি লয় বিখ্যাত জাৰ্নেল অথবা ৱেবছাইট ... কিয় হয় এনেকুৱা? কিয়?

অনিতৰ গুৱাহাটীৰ ঘৰখনতো মৃগাংগ দুৱৰা বেছিভাগ সময় বাহিৰৰ বাৰাণ্ডাখনত বহিয়েই পাৰ কৰে। সময়বোৰ তেওঁৰ নাযায়-নুপুৱায় যেন নহৈছিল কেতিয়াও। বিশ্বৰ সাহিত্য, সংস্কৃতি-দৰ্শনৰ ইমানবোৰ কিতাপ, ইমান বিশ্ববিখ্যাত ছিনেমা আৰু গান, বিখ্যাত চিত্ৰ আৰু চিত্ৰশিল্পী—আমনি লাগিবলৈ আজৰি নাছিলেই তেওঁৰ। অনুৰাধাই ঘৰুৱা কথা-বতৰাবোৰৰ দিহা-পৰামৰ্শ বিচাৰি তেওঁৰ ওচৰলৈ আহোঁতে প্ৰায়েই তেওঁ ‘ওঁ’, ‘হয়’, ‘ভাল কথা’, ‘তেনেদৰেই কৰা ভাল হ’ব’ বুলি সামৰিছিল। অনুৰাধাই সংসাৰখন তেওঁতকৈ বেছি নিয়াৰিকৈ বেছি শৃংখলাৰে চলাব পাৰে বুলি তেওঁৰ গভীৰ বিশ্বাস আছিল। কিমান পৰিপাটি আছিল অনু! কেৱল বিছনা, আলমাৰি আৰু আলনা জপাতেই নহয়, প্ৰতিখন কাগজ বেলেগ বেলেগ ফাইলত পৰিপাটিকৈ সজাই বিচাৰিলেই পোৱাকৈ ফাইল-কভাৰৰ বাহিৰত লিষ্ট কৰি থৈছিল। সৰু বাপা, ডাঙৰ বাপাৰ জন্মৰ পাছৰ ভেকছিনৰ লিষ্ট থকা কাগজখনো আটোমটোকাৰিকৈ সাঁচিছিল অনুৱে; চন্ডালিবলৈ তেওঁৰ বাকী আছিলনো কি? সেইজনী অনুৰাধাই এতিয়া কাগজবোৰ উলিয়াই নিৰক্ষৰ মানুহৰ দৰে চাই—দুই-এযাৰ বাক্য পঢ়ি কিতাপ সামৰি থয়। দাৰ্শনিক অধ্যাপকৰ সময়বোৰ আমনি লগা হয়। অভাৱ নোহোৱা সময়বোৰত এতিয়া শোকে ছল পালেই বহি লয়হি।

ভিতৰত খোৱা মেজত স্বপ্নাই পুতেকক ভাত খুৱাই আছে। তাৰ স্কুললৈ দেৰি হ’ব, খৰধৰকৈ ভাতকেইটা খাই গ’লে মাকৰ শান্তি—সিজোৱা কণীটো খাব নুখুজি সি এটা অমলেট বা প’চ বিচাৰিছে। অনিতে মানা কৰিছে—“ৰাতিপুৱাই তেলত ভজা বস্তু খাব নালাগে বাবা। বইল কণী খালেহে গাত বল হয়। খাই দিয়া।” সৰু ল’ৰাটোৱে অসন্তুষ্ট মনেৰে খাবলৈ ধৰিছে।

“মন গ’লে খাবলৈ দিয়ক ভিনদেউ। এতিয়া ইমান কন্ট্ৰ’ল কৰিলে পাছত আপোনাৰ মাৰ দৰে হ’বগৈ। কাহানিও নোখোৱা বস্তুও খাবলৈ লোভ হ’ব।” —হাঁহি হাঁহি কৈ পেলাইছিল স্বপ্নাৰ ভনীয়েক তৃষ্ণাই।